# চৰকাৰৰ ধাৰণা আৰু বিভিন্ন প্ৰকাৰৰ চৰকাৰ

## অনুশীলনী

**প্ৰশ্ন ১। দুটা শব্দত উত্তৰ লিখা—**

( ক ) দুখন পুৰণি ভাৰতীয় ৰাজ্যৰ নাম ।

**উত্তৰঃ** মগধ , কনৌজ ।

( খ ) দুজন একনায়কৰ নাম ।

**উত্তৰঃ** হিটলাৰ , মুছ’লিনী ।

( গ ) দুখন সীমিত ৰাজতন্ত্ৰৰ নাম ।

**উত্তৰঃ** ভূটান , থাইলেণ্ড ।

( ঘ ) দুজন আহাোম ৰজাৰ নাম ।

**উত্তৰঃ** চুকাফা , শিৱসিংহ ।

( ঙ ) দুখন গণতান্ত্ৰিক ৰাষ্ট্ৰৰ নাম ।

**উত্তৰঃ** ভাৰতবৰ্ষ , আমেৰিকা যুক্তৰাষ্ট্ৰ ।

**প্ৰশ্ন ২। দুই বা তিনিটা বাক্যত উত্তৰ লিখা—**

**( ক ) চৰকাৰে আমাৰ বাবে কি কৰে ?**

**উত্তৰঃ** চৰকাৰে জনসাধাৰণৰ সৰ্বতাে প্ৰকাৰৰ কল্যাণ সাধন আৰু নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে কাম কৰে । আমাৰ নিৰাপত্তা , খাোৱা – বাোৱা , যাোগান , শিক্ষা , স্বাস্থ্য , ঘৰ – দুৱাৰ , যাতায়াত , শান্তি – প্ৰগতি ৰক্ষা আদি বিভিন্ন কাম-কাজ চৰকাৰে সম্পাদন কৰে ।

**( খ ) ভাৰতে কাৰ শাসনৰ পৰা স্বাধীনতা লাভ কৰিছিল ? কিমান দিনৰ বাবে তেওঁলাোকে আমাৰ দেশখন শাসন কৰিছিল ?**

**উত্তৰঃ** ভাৰতে ইংৰাজৰ শাসনৰ পৰা স্বাধীনতা লাভ কৰিছিল । হংৰাজে আমাৰ দেশখন ২০০ বছৰ শাসন কৰিছিল ।

**( গ ) ন্যায় বিভাগৰ কাম কি ?**

**উত্তৰঃ** এখন ৰাষ্ট্ৰত ন্যায় বিভাগে , বিচাৰ কাৰ্য সম্পাদন কৰে । এই বিভাগে আইন বিভাগ আৰু কাৰ্যপালিকাৰ কামৰ ভাল – বেয়া বিচাৰ কৰি জনসাধাৰণক ন্যায় প্ৰদান কৰে ।

**( ঘ ) একনায়কতন্ত্ৰ মানে কি ? এনে শাসনৰ অধীনত ব্যক্তিৰ স্বাধীনতা থাকেনে ?**

**উত্তৰঃ** যিবিলাক দেশত এজন নেতাই দেশখনৰ শাসন কাৰ্য পৰিচালিত কৰে , তেনে শাসন ব্যৱস্থাক একনায়কতন্ত্ৰ বাোলে। এনে ব্যৱস্থাত নেতাগৰাকীয়ে জনস্বাৰ্থতকৈ নিজ স্বাৰ্থকহে গুৰুত্ব দিয়া দেখা যায় ।

একনায়কতন্ত্ৰত ব্যক্তিৰ স্বাধীনতা নাথাকে ।

**প্ৰশ্ন ৩। ( ক ) পাঠটোত পাোৱা ৫ টা মূল কথা বিচাৰি ৫ টা বাক্যত লিখা ।**

**উত্তৰঃ** পাঠটোত ৫ টা মূল কথা হল— চৰকাৰ ৰাষ্ট্ৰ ব্যৱস্থাৰ প্ৰধান প্ৰশাসনীয় অনুষ্ঠান । আমাৰ ভাৰতবৰ্ষত ৰাষ্ট্ৰীয় পৰ্যায়ত কেন্দ্ৰীয় চৰকাৰ , ৰাজ্যত ৰাজ্যিক আৰু স্থানীয় পৰ্যায়ত স্বায়ত্ত শাসিত পৰিষদ , পৌৰ নিগম , পৌৰসভা , পঞ্চায়ত আদি আছে । চৰকাৰী নীতি – নিয়মক আইন বাোলা হয় । দেশৰ আইনসভাই এনে আইন প্ৰস্তুত কৰে । দেশৰ শাসনকাৰ্য চলাোৱা বিভাগটো হৈছে কাৰ্য পালিকা আৰু ভাল – বেয়া বিচাৰ কৰাৰ লগতে বিভিন্ন গাোচৰ মীমাংসা কৰি জনগণক ন্যায় প্ৰদান কৰা বিভাগটো হৈছে বিচাৰ বিভাগ ।

**( খ ) চৰকাৰৰ তিনিটা শাখাই কি কি কাম কৰে ?**

**উত্তৰঃ** চৰকাৰৰ তিনিটা শাখা হৈছে— আইন প্ৰণয়ন বিভাগ বা আইনপালিকা , কাৰ্যপালিকা আৰু বিচাৰ বিভাগ । আইন পালিকাই দেশৰ শাসনৰ বাবে প্ৰয়াোজনীয় । আইন প্ৰণয়ন কৰে । কাৰ্যপালিকাই আইন প্ৰয়াোগ অৰ্থাৎ আইনমতে শাসন চলায় ।

আনহাতে , আইন বিভাগ আৰু কাৰ্যপালিকাৰ কামৰ ভাল – বেয়া বিচাৰ কৰাৰ লগতে আইনৰ সহায়ত গা ে চৰ মীমাংসা কৰি জনগণক ন্যায় দান কৰে বিচাৰ বিভাগে।

**( গ ) আদিম মানুহে কিয় দল বান্ধি থাকিবলৈ ল'লে আৰু তাৰ ফলত কি কি হ'ল ?**

**উত্তৰঃ** মানুহ সমাজপ্ৰিয় প্ৰাণী । সমাজক বাদ দি মানুহ জীয়াই থাকিব না েৰাৰে । সমাজপ্ৰিয় স্বভাৱৰ বাবেই মানুহে দল বান্ধি থাকিবলৈ ল'লে । দল বান্ধি থকাৰ ফলত দলপতি বা মুৰব্বীৰ ধাৰণাৰ সৃষ্টি হ'ল আৰু মুৰব্বীৰ কথা দলটোৱে মানি চলিবলৈ ধৰিলে । দলবদ্ধ জীৱন – যাপনৰ ফলত সমাজত কিছুমান নীতি – নিয়মৰ সৃষ্টি হ'ল আৰু সমূহীয়া উন্নয়ন, নিৰাপত্তা আদিৰ বাবে কিছুমান ব্যৱস্থা হ'ল । লাহে লাহে দলবা েৰ ডাঙৰ হ'ল আৰু কালক্ৰমত কেইবাটাও ডাঙৰ দল একত্ৰিত হৈ একোখন ৰাজ্য বা ৰাষ্ট্ৰ হ'ল ।

## অতিৰিক্ত প্ৰশ্নোত্তৰ

**( ক ) অতি চমু উত্তৰ দিয়া –**

**প্ৰশ্ন ১। চৰকাৰ কি ?**

**উত্তৰঃ** চৰকাৰ হৈছে ৰাষ্ট্ৰ ব্যৱস্থাৰ প্ৰধান প্ৰশাসনীয় অনুষ্ঠান যি জনসাধাৰণৰ কল্যাণৰ অৰ্থে কাম কৰে ।

**প্ৰশ্ন ২। আহা েমে অসমত কিমান বছৰ শাসন কৰিছিল ?**

**উত্তৰঃ** আহা েমে অসমত একেৰাহে প্ৰায় ছশ বছৰ শাসন কৰিছিল ।

**প্ৰশ্ন ৩। কুৰি শতিকাৰ জাৰ্মানীৰ ক্ষমতাশালী একনায়ক জনৰ নাম কি ?**

**উত্তৰঃ** কুৰি শতিকাৰ জাৰ্মানীৰ ক্ষমতাশালী একনায়কজন হ'ল হিটলাৰ।

**প্ৰশ্ন ৪। ইটালীৰ ক্ষমতাশালী একনায়ক জনৰ নাম কি ?**

**উত্তৰঃ** ইটালীৰ ক্ষমতাশালী একনায়কজন আছিল মুছ'লিনী ।

**প্ৰশ্ন ৫। ভাৰতবৰ্ষ কেতিয়া স্বাধীন হৈছিল ?**

**উত্তৰঃ** ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষ স্বাধীন হৈছিল ।

**প্ৰশ্ন ৬। আধুনিক যুগত একনায়কৰ শাসন চলা কেইখনমান দেশৰ নাম লিখা ।**

**উত্তৰঃ** ছৌদি আৰৱ , ব্ৰুনেই , ওমান , কাটাৰ আদিত এতিয়াও একনায়কৰ শাসন প্ৰচলিত আছে ।

**প্ৰশ্ন ৭। ইংৰাজে আমাৰ দেশত কিমান বছৰ শাসন কৰিছিল ?**

**উত্তৰঃ** ইংৰাজে ভাৰতবৰ্ষত প্ৰায় ২০০ বছৰ শাসন কৰিছিল ।

**প্ৰশ্ন ৮। আইন কাক বােলে ?**

**উত্তৰঃ** চৰকাৰী নীতি – নিয়মকে আইন বােলে ।

**প্ৰশ্ন ৯। আইন কোনে তৈয়াৰ কৰে ?**

**উত্তৰঃ** চৰকাৰৰ আইন প্ৰণয়নকাৰী বিভাগ আইন পালিকাই আইন তৈয়াৰ কৰে ।

**প্ৰশ্ন ১০। ভাৰতৰ আইনসভাখনৰ নাম কি ?**

**উত্তৰঃ** ভাৰতৰ আইন সভাখনৰ নাম সংসদ । ( সংসদৰ সদস্যসকলক সাংসদ বােলা হয় । )

**প্ৰশ্ন ১১। কাৰ্যপালিকাক কেইটা ভাগত ভগাব পাৰি ?**

**উত্তৰঃ** কাৰ্যপালিকাক দুটা ভাগত ভগাব পাৰি ।

**প্ৰশ্ন ১২। আমাৰ দেশত নামমাত্ৰ কাৰ্যপালিকা কোন ?**

**উত্তৰঃ** আমাৰ দেশত নামমাত্ৰ কাৰ্যপালিকা হৈছে ৰাষ্ট্ৰপতি ।

**প্ৰশ্ন ১৩। আমাৰ দেশত প্ৰকৃত কাৰ্যপালিকা কোন ?**

**উত্তৰঃ** আমাৰ দেশত প্ৰকৃত কাৰ্যপালিকা হৈছে মন্ত্ৰীপৰিষদ ।

**( খ ) উত্তৰ লিখা –**

**প্ৰশ্ন ১। চৰকাৰৰ প্ৰধান কামবােৰ কি কি ?**

**উত্তৰঃ** চৰকাৰৰ প্ৰধান কামবােৰ হৈছে ৰাষ্ট্ৰ , ৰাজ্য বা একোটা একোটা এলেকাৰ শাসন চলােৱা , সেই এলেকাৰ উন্নয়নৰ বাবে কাম কৰা ; ইয়াৰ জনসাধাৰণক বহিঃশত্ৰুৰ আক্ৰমণৰ পৰা ৰক্ষা কৰা , আইন – শৃংখলা ৰক্ষা কৰা ইত্যাদি ।

**প্ৰশ্ন ২। ৰাজতন্ত্ৰ বুলিলে কি বুজা ?**

**উত্তৰঃ** ৰজাই চলােৱা শাসনক ৰাজতন্ত্ৰ বােলে । এনে শাসন এজন লোকৰ দ্বাৰা পৰিচালিত । প্ৰাচীন কালত ৰাজ্যবােৰ সৰু আছিল , মানুহো বেছি নাছিল । আনহাতে সমস্যাসমূহাে জটিল নাছিল । এনে অৱস্থাত ৰাজতন্ত্ৰই বহুল প্ৰচলিত শাসন ব্যৱস্থা আছিল ।

**প্ৰশ্ন ৩। অভিজাত তন্ত্ৰ কাক বােলে ?**

**উত্তৰঃ** যি শাসন ব্যৱস্থাত ৰাজ্যৰ শাসনভাৰ কেইজনমান গুণী – জ্ঞানী ব্যক্তিয়ে গ্ৰহণ কৰে , তেনে শাসনক অভিজাত তন্ত্ৰ বােলে । এই ব্যৱস্থা এজন ৰজাৰ শাসনতকৈ ভাল বুলি পৰিগণিত হৈছিল যদিও কালক্ৰমত এই ব্যৱস্থাৰ গুৰুত্ব কমি আহিল ।

**প্ৰশ্ন ৪। গণতন্ত্ৰ বুলিলে কি বুজা ?**

**উত্তৰঃ** গণতন্ত্ৰ হৈছে জনগণে চলােৱা শাসন । এনে শাসন ব্যৱস্থাত ৰাইজেই ৰজা । গণ মানে জনগণ আৰু তন্ত্ৰ মানে শাসন । এনে ব্যৱস্থাত দেশৰ চৰকাৰ বা শাসনযন্ত্ৰৰ ওপৰত সৰ্বসাধাৰণৰ নিয়ন্ত্ৰণ থাকে । বৰ্তমান সময়ৰ ৰাষ্ট্ৰবােৰ অতি জনবহুল হােৱা হেতুকে বৰ্তমান গণতান্ত্ৰিক শাসন ব্যৱস্থাত ৰাইজৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধিৰ শাসন অৰ্থাৎ পৰােক্ষ গণতন্ত্ৰ প্ৰচলন বেছি দেখা যায় ।

**প্ৰশ্ন ৫। কাৰ্যপালিকা কাক বােলে ? কাৰ্যপালিকাৰ ভাগকেইটাৰ বিষয়ে লিখা ।**

**উত্তৰঃ** কাৰ্যপালিকা হৈছে চৰকাৰৰ আইন প্ৰয়ােগ অৰ্থাৎ আইন মতে শাসন চলােৱা বিভাগ । প্ৰকৃতাৰ্থত চৰকাৰৰ এই অংগটোৱেই দেশৰ শাসনকাৰ্য চলায় । কাৰ্যপালিকাক দুটা ভাগত ভাগ কৰিব পাৰি । নামমাত্ৰ কাৰ্যপালিকা আৰু প্ৰকৃত কাৰ্যপালিকা । নামমাত্ৰ

কার্যপালিকা হৈছে দেশৰ নামমাত্ৰ মুৰব্বী । নামমাত্ৰ কাৰ্যপালিকাৰ নামত দেশৰ শাসন কাৰ্য চলে যদিও তেওঁ প্ৰকৃতাৰ্থত শাসন নকৰে । ভাৰতৰ ৰাষ্ট্ৰপতি নামমাত্ৰ কাৰ্যপালিকাৰ এটা উদাহৰণ । আনহাতে , যি কাৰ্যপালিকাই প্ৰকৃতাৰ্থত দেশৰ শাসনকাৰ্য চলায় তাকে প্ৰকৃত কাৰ্যপালিকা বা◌েলে । ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰীৰ নেতৃত্বৰ মন্ত্ৰীপৰিষদ দেশৰ প্ৰকৃত কাৰ্যপালিকা । কিছুমান দেশত প্ৰকৃত কাৰ্যপালিকা আৰু নামমাত্ৰ কাৰ্যপালিকাৰ মাজত বিভাজন পৰিলক্ষিত হয় । আনহাতে কিছুমান দেশত নামমাত্ৰ কাৰ্যপালিকা আৰু প্ৰকৃত কাৰ্যপালিকাৰ মাজত বিভাজন দেখা নাযায় ।